# অসম আদিত্য

১৩ মাঘ, ১৯৪৫ শক ■ দেওবাৰ, ২৮ জানুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Sunday, January 28, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ



ডিব্ৰুগড় বিশ্ববিঃৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ

## ডি এইচ এছ কানৈ কলেজলৈ শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ জানুৱাৰী ঃ** স্বচ্ছতা, পৰিষ্কাৰ-পৰিচ্ছন্নতাক আন্দোলনমুখী কৰি তুলিবলৈ প্ৰয়াস কৰি অহা ডি এইচ এছ কানৈ মহাবিদ্যালয়ক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত শ্ৰেষ্ঠ ৮ পৃষ্ঠাত

## শিক্ষাবিদ সুধালতা ভূঞাৰ দেহাৱসান

...ৱসৰ ...টাৰীয়াৰ ...তন্ত্ৰৰ আত্মা

...জ্যবাসীক সম্বোধি দিয়া

উত্তৰ... আস... ব... পি... ইতিহা...

আজিৰ
্যাৰ সৈতে
কাশ
নামূলীয়াকৈ
াগবঢ়োৱা
হৈছে।

# অসম আদিত্য

২৫ ■ ১৩ মাঘ, ১৯৪৫ শক ■ দেওবাৰ, ২৮ জানুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Sunday, January 28, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ

লোকে হত্যা কৰিলে নেকি এই লৈ বিষয়টো ৰহস্যৰ আৱৰ্তলৈ গৈ আছে।

## শিৱসাগৰত তৃণমূল কংগ্ৰেছৰ

নিবেদন কৰাৰ পিছতো পথটিৰ উন্নয়নৰ ক্ষেত্ৰত তিলমানো গুৰুত্ব দিয়া নহ'ল। শেহতীয়াকৈ স্থানীয় ৰাইজে স্থানীয় বিধায়ক অখিল গগৈয়ে পথটোক মেৰামতি কৰি দিব বুলি আশা কৰিছিল যদিও অখিল গগৈয়েও ৰাইজক সম্পূৰ্ণৰূপে নিৰাশ কৰিলে। ইতিমধ্যে স্থানীয় কেইবাজনো সচেতন যুৱকে এই সংক্ৰান্তত অসম তৃণমূল কংগ্ৰেছৰ শিৱসাগৰ জিলাৰ সভাপতি প্ৰাঞ্জল প্ৰতীম খনিকৰৰ সৈতে যোগাযোগ কৰাত সভাপতিগৰাকীয়ে দলীয় কেইবাহাজাৰ টকা ব্যয় কৰি পথটোৰ বাবে শিল যোগান ধৰে। তাৎক্ষণিকভাৱে জিলা সভাপতি প্ৰাঞ্জল প্ৰতীম খনিকৰে প্ৰতিশ্ৰুতি পূৰণ কৰি শিলৰ যোগান ধৰাত স্থানীয় ৰাইজ আৰু তৃণমূল কংগ্ৰেছ কৰ্মীৰ শ্ৰমদান তথা সহযোগিতাৰে যোৱা দুদিনত পথছোৱাৰ মেৰামতি সম্পূৰ্ণ কৰা হয়। কাৰ্যসূচীত উপস্থিত আছিল সভাপতি প্ৰাঞ্জল প্ৰতীম খনিকৰ, সাধাৰণ সম্পাদক ৰবুল আলী, সদস্য ইৰচাদ হাজৰিকা, উপ-সভাপতি ফৰিদ আহমেদ, সম্পাদক প্ৰাঞ্জল প্ৰতীম বুঢ়াগোহাঁই, বিমান বৰগোহাঁই আদি।

## বাছ যাত্ৰীৰ সুৰক্ষাৰ ক্ষেত্ৰত

অত্যন্ত গুৰুত্বসহকাৰে গাড়ী চলোৱা উচিত। এইক্ষেত্ৰত বাছৰ মালিকসকলেও বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা উচিত। বাছৰ বাবে কেতিয়াও সস্তীয়া ড্ৰাইভাৰ লোৱা যিদৰে উচিত নহয় সেইদৰে ড্ৰাইভাৰসকলৰ বাবে চকু পৰীক্ষাও নিয়মীয়াকৈ কৰোৱা উচিত।— এই বক্তব্য ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ। আজি ডিব্ৰুগড় চহৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আৰু ঐতিহাসিক বেৰী হোৱাইট মেডিকেল ভৱনৰ সন্মুখত আয়োজিত এক পথ সুৰক্ষা সভাত অংশগ্ৰহণ কৰি এইদৰে কয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। নিজৰ পিতৃও এগৰাকী ড্ৰাইভাৰ

## ডি এইচ এছ কানৈ কলেজলৈ

পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে স্বচ্ছতা তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সজাগতা সৃষ্টি কৰিবলৈ প্ৰতিদিনে পুৰা যুৱ মহোৎসৱত চাফাই কাৰ্যসূচী গ্ৰহণ কৰিছিল। এইবাৰেই নহয়, প্ৰতিবাৰে যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয়ে নিয়মীয়াকৈ এনে কাৰ্যসূচী গ্ৰহণ কৰি বিশ্ববিদ্যালয়খনৰ অধীনৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি কৰি আহিছে। উল্লেখ্য যে ইতিমধ্যে কানৈ মহাবিদ্যালয়ৰ স্বচ্ছতাক আন্দোলনমুখী কৰাৰ বাবে বিভিন্ন সংগঠনে পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান প্ৰদান কৰিছে। এইবাৰ যুৱ মহোৎসৱত ব্যাপক প্ৰতিযোগিতাৰ মাজত কানৈ মহাবিদ্যালয়ে পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনীত প্ৰকাশিত সম্পাদকীয়ত প্ৰথম আৰু আলোচনী বিভাগত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, ১৬ বিভাগত বঁটা আঁজুৰি আনিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে ক্ৰমে— কাৰ্টুন প্ৰতিযোগিতাত প্ৰথম, আল্পনা প্ৰতিযোগিতাত প্ৰথম, ক'লাজ প্ৰতিযোগিতাত প্ৰথম, তবলা বাদন প্ৰতিযোগিতাত প্ৰথম, ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতাত দ্বিতীয়, ৰাভা সংগীত প্ৰতিযোগিতাত দ্বিতীয়, জয়ন্ত সংগীত প্ৰতিযোগিতাত দ্বিতীয়, পশ্চিমীয়া সংগীত প্ৰতিযোগিতাত দ্বিতীয়, চলচ্চিত্ৰ সমালোচনা প্ৰতিযোগিতাত দ্বিতীয়, ভজন প্ৰতিযোগিতাত তৃতীয়, পষ্টাৰ মেকিং প্ৰতিযোগিতাত তৃতীয়, কুইজ প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ দল, খেয়াল প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এনে কৃতিত্বৰ বাবে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## বৰহোলাত উদুলি-মুদুলি

অঞ্চলটোৰ সকলো শ্ৰেণীৰ লোকৰ মাজত অধ্যয়নৰ প্ৰতি ধাউতি বৃদ্ধি ক
সচেতন ৰাইজে মত প্ৰকাশ কৰিছে। ২৬ জানুৱাৰীত পুৱা বৃহত্তৰ অসমীয়া য
বৰহোলা আঞ্চলিকৰ সভাপতি দেৱজিৎ পাঠক আৰু উদ্‌যাপন সমিতিৰ স
বিজয় মোহন সন্দিকৈৰ পতাকা উত্তোলন, মঞ্চৰ বৰহোলা আঞ্চলিক স
সচিবপ্ৰধান বিকাশ গগৈৰ স্মৃতি তৰ্পণ, বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উ
দিগন্ত বৰা, বৰহোলা মহাবিদ্যালয়ৰ উপাধ্যক্ষ দিলীপ কুমাৰ খাউণ্ড, যুৱ সা
অজয় শইকীয়াৰ গছপুলি ৰোপণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ব
মহাবিদ্যালয়ৰ প্ৰবক্তা অমল সোনোৱাল, যুৱ সমাজকৰ্মী বিজয় হাজৰিকা
পৰিচালনাত ৰূপায়িত অনুষ্ঠানটোত পুৱা শিশু সাহিত্যিক তিলো সোনোৱা
প্ৰজ্বলন কৰা পিছতে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উ
বুধীন্দ্ৰ নাথ হাজৰিকাই গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰে। উদ্বোধনৰ পূৰ্বে বুধী
হাজৰিকাই আগবঢ়োৱা চমু ভাষণত বৰহোলাত বৃহত্তৰ অসমীয়া যুৱ মঞ্চই দী
অব্যাহত ৰখা গ্ৰন্থমেলাৰ যাত্ৰাক প্ৰশংসা কৰে। উদ্বোধনী অনুষ্ঠানত অৱ
শিক্ষক, সপোন কবি মহেন্দ্ৰ নাথ হাজৰিকা, উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক,
পদ্ম ৰাজখোৱা, সমাজকৰ্মী ছফিকুল হক, তৰুণ সোনোৱাল, মুকুট বৰা, অৱ
শিক্ষক গোবিন চন্দ্ৰ গগৈ, শিক্ষক ৰঞ্জিত সন্দিকৈ, এছ'চিয়েট এন চি চি অফিচা
কলিতা, ইকৰাণি পঞ্চায়তৰ সভাপতি দিগন্ত বৰা, সচেতন যুৱকৰ্মী ক্ৰমে ধ্ৰুৱজিৎ
পিংকু শইকীয়া, অজিত ঠেঙাল, ধৰ্মেন্দ্ৰ বৰা আদি উপস্থিত থাকে। আবেলি
কানন শাখা সাহিত্য সভাৰ উদ্যোগত কবিতা আৰু গল্পপাঠ অনুষ্ঠান অনুষ্ঠি